## বেণুধৰ শৰ্মা
(১৮৯৯-১৯৮১)

# মণিৰাম দেৱানৰ ফাঁচী
(মণিৰাম দেৱান)

বিদ্ৰোহৰ বহ্নিত বা-দিওঁতা মণিৰামৰ সোঁহাত পিয়ালী বা মহেশচন্দ্ৰ গাভৰুমেলীয়া বৰুৱা, বাহাদুৰ গাঁওবুঢ়া খনিকৰ, দুতিৰাম বৰুৱা চিৰস্তাদাৰ, মৰঙিখোৱা গোহাঁই, নীলকণ্ঠ চোলাধৰা ফুকন, লুকি শেনচোৱা বৰুৱা, গণেশচন্দ্ৰ কাইথ বৰুৱা, মায়াৰাম নাজিৰ, কমলা চাৰিঙীয়া বৰুৱা, নাৰায়ণ বৰবৰা, উমাকান্ত শৰ্মা, মধুৰাম কোচ আৰু এওঁলোকৰ লগৰীয়া ৩০ জনৰ বিৰুদ্ধে চোৰাংচোৱা কৰ্মচাৰীসকলে স্বধৰ্ম আৰু স্বৰাজ্য প্ৰতিষ্ঠা কৰা বিপ্লৱত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰাৰ চাক্ষুস প্ৰমাণ সংগ্ৰহ কৰি দিলে।

উপৰোক্ত আদালততেই এওঁবিলাকৰ বিচাৰ আৰম্ভ হ'ল। প্ৰথম জগৰীয়া বুলি ঠাৱৰ কৰা অভিযুক্ত লোক কন্দৰ্পেশ্বৰ সিংহক আগতে আলিপুৰ জেললৈ পঠিওৱাই হ'ল। সেই কাৰণে, দ্বিতীয় আছামী মধুৰাম কোচেই এই আদালতত স্বদেশ-প্ৰেমৰ বাবে ৭ বছৰ কাৰাদণ্ড মূৰ পাতি লয়। তৃতীয় আছামী হ'ল পিয়ালী বৰুৱা বা মহেশচন্দ্ৰ গাভৰুমেলীয়া বৰুৱা। স্বাধীনতা-যুদ্ধৰ ঘাই মস্তিষ্ক মণিৰাম দেৱানে জপা মন্ত্ৰ আৰু পঙা পৰিকল্পনাখিনি যাৰ মুখ-হাতেদিয়েই কেউফালে প্ৰচাৰ হৈছিল, তেৱেঁই এই পিয়ালী বৰুৱা। স্বদেশ-উদ্ধাৰত আত্মাহুতি দিবলৈ জনতাক জাগৃত কৰা বাবেই এওঁৰ হ'ল প্ৰাণদণ্ডৰ আদেশ। চতুৰ্থজন আছামীয়েই হ'ল স্বাধীনতা-প্ৰতিষ্ঠাৰ উঁহ মণিৰাম দেৱান---ধৰাধামত যাৰ চিন-চাব নথ'বলৈকে ব্ৰিটিছ শাসনযন্ত্ৰৰ মূৰৰপৰা ভৰিলৈকে সকলোৱেই বিশেষভাৱে তৎপৰ আছিল।

বৰভণ্ডাৰ বৰুৱা মণিৰামক আলিপুৰ জেলত আবদ্ধ কৰাৰ পাছতো দেখা গ'ল যে বিদ্ৰোহৰ উপশম হোৱা নাই; চাহ-বাগিচাবোৰত কাম কৰা জনা-বুজা মানুহবিলাকে আৰু ঠিকাদাৰবিলাকে থোলাই কোচৰ পুতেকৰ অনুপ্ৰেৰণাত কাম-কাজ বন্ধ কৰি দিছে। বাগিচাবোৰত খেতি-পথাৰ নোহোৱা হ'ল, বাগিচাৰ ওচৰৰ হজুৰা মানুহবিলাকে বিশ্বাস কৰিবলৈ ধৰিলে যে এইবাৰ ফিৰিঙ্গিবোৰক

কাটি-মাৰি খাস্তাং কৰিব। এইবুলি সিহঁতেও বাগিচাত কাম নকৰা হ'ল। অইন কি, প্ৰায়বোৰ মানুহেই ৰজাৰ লগত সহযোগিতা ৰাখি অকল চিপাহীবোৰকহে যে বিদ্ৰোহী হ'বলৈ উচটাই ফুৰিছিল এনে নহয়, সচাঁ-সঁচিকৈয়ে সাধাৰণ মানুহৰ মতি-গতিও বিদ্ৰোহৰ ফালে ঢাল খুৱাই নিছিল।

গোৰা পল্টনৰ ফৌজ গোটাদিয়েক নহ'লে অসমত ওৰা পতা ষড়যন্ত্ৰ দমাব নোৱাৰি, এইবুলি গাঁৱলীয়া ৰাইজৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকা বাগিচাৰ ছাহাববিলাকে বঙ্গদেশৰ দুৱলীয়া লাট হেলিডে ছাহাবলৈ লেখাত লাটে বিদ্ৰোহ দমাবলৈ ১০০ গোৰা চিপাহী জাহাজেৰে অসমলৈ পঠিয়াই দিয়ে। সেই চিপাহীবোৰৰ স্বাস্থ্যৰ চুপাৰিচ কৰি আহিছিল আসাম টি কোম্পানীৰ ডাক্তৰ স্কিপ্‌টন ছাহাবে। চিপাহীফৌজৰ লগতে ১৮৫৭ চনৰ ৩১ ডিচেম্বৰ তাৰিখে মণিৰাম দেৱানকো পঠিয়াই দিয়া হ'ল যোৰহাটত স্বাধীনতা স্পৃহাৰ "পুৰস্কাৰ" ল'বলৈ।

ইপিনে যোৰহাটত দেৱানৰ ইঙ্গিতত চলা ষড়যন্ত্ৰকাৰীসকলৰ বিৰুদ্ধে বিচাৰৰ ভেকোভাওনা চলিছে। ১৮৫৮ চনৰ ৩০ জানুৱাৰীত মধুৰাম কোচৰ আৰু ৯ ফেব্ৰুৱাৰী তাৰিখে পিয়ালী বৰুৱাৰ বিচাৰ হৈ গ'ল। এতেকে ফেব্ৰুৱাৰী মাহৰ শেষত মণিৰাম দেৱানক অনা জাহাজ মহগড় ঘাটত (কঁকিলামুখত) লাগিলহি। তেওঁক আনিয়েই দিছে নগৰত থকা শূন্য ৰজাৰ কাৰেংটিত বন্দীকৈ থোৱা হ'ল। সেই বন্দীশালতে ফাঁচীৰ বলি পিয়ালী বৰুৱাকো সুমুৱাই থোৱা হৈছিল। দেৱানক যোৰহাট পোওৱাৰ পিছদিনাই অৰ্থাৎ সেই ২৩ ফেব্ৰুৱাৰী তাৰিখেই (১৩ ফাগুন, ১৭৭৯ শক) তেওঁক দাৰোগাৰ কাচাৰীলৈ নিনি পোনে পোনেই হলৰইডৰ আদালতলৈ লৈ যোৱা হ'ল। মণিপুৰৰ বিদ্ৰোহী ৰজা নবীন্দ্ৰজিৎ সিঙৰ বিদ্ৰোহ অভিযোগ প্ৰমাণ কৰিবৰ নিমিত্তে মিঃ ষ্টুৱাৰ্টে যেনেকৈ আগৰেপৰা সকলো নথি-পত্ৰ, সাক্ষী-প্ৰমাণ আইনৰ সামঞ্জস্য ৰক্ষা কৰিব পৰাকৈ সংগ্ৰহ কৰি থৈছিল, মণিৰামৰ ১৪ আইন অনুসৰি বিদ্ৰোহিতা প্ৰমাণ কৰিবৰ নিমিত্তেও কেপ্তেইন হলৰইড আৰু তেওঁৰ সহ-অনুচৰসকলে আগৰেপৰা তেনেকৈ কেতবোৰ প্ৰমাণ হাতৰ মুঠিত ৰাখি থৈছিল। সেইবোৰ প্ৰমাণ অৱশ্যে প্ৰকাশ্যে লিপিবদ্ধ হোৱা নাছিল। তথাপি, ১৮৫৮ চনৰ ২৩ ফেব্ৰুৱাৰী তাৰিখে যোৰহাটত সামৰিক আদালত পাতি কেপ্তেইন হলৰইডে ৰায় বান্ধিলে। এই ৰায় অনুসৰি ১৮৫৮ চনৰ ফেব্ৰুৱাৰী মাহৰ ২৬ তাৰিখে বা তাৰ আগেয়ে পিয়ালী বৰুৱাকো ফাঁচী দিবলৈ হুকুম কৰি থোৱা আছিল। মণিৰাম দেৱানকো এতিয়া সেই তাৰিখেই প্ৰাণদণ্ড কৰাৰ আদেশ হ'লত দুয়োকো একেলগেই ফাঁচী দিয়া স্থিৰ

হ'ল।

আসন্ন মৃত্যুৰ বজ্ৰাঘাত বাতৰি পাইও মণিৰামৰ মন কিঞ্চিৎমানো বিচলিত নহ'ল। বৰং জন্মিলে মৰিব লাগে, এইটি সত্যক সাৰোগত কৰি প্ৰশান্তভাৱে ভগৱন্তৰ চৰণত আত্ম-সমৰ্পণ কৰিবলৈ লাগিল। তেওঁৰ মন আৰু পঞ্চেন্দ্ৰিয়ৰ লগত দুৰ্বাদল চঞ্চল সংগ্ৰাম চলি থাকোঁতে সেইখিনি সময়ত, তেওঁক যি চাবলৈ গৈছিল, তেওঁবিলাকেও তেওঁৰ অন্তৰৰ নিভৃততম কোণত দয়া-ক্ষমাৰ এখনি ফল্গু নদী বৈ থকা দেখিবলৈ পাইছিল। ফাঁচীৰ আগদিনা পুতেক এজনে চাবলৈ যাওঁতে দেৱানে পুতেকক এইবুলি প্ৰবোধ দিছিল, "কাইলৈ এই নশ্বৰ দেহা এৰা পৰিব। সেইবাবে তহঁতে একো বেজাৰ নকৰিবি। তহঁতে ভাই-ককাই কেউটি মিলা-প্ৰীতিৰে থাকিবি। চেংলুং আৰু চেনিমৰা বাগিচা দুখনকে সোণৰ গছ বুলি ভাবিবি। মেহ্বাক অৰ্জুনৰ গুৰিৰ মাটিখিনি দিবি। ম'ৰা চৰাই দুটা যাদৱ ৰায়ৰ ঠাইলৈ (দক্ষিণপাট সত্ৰলৈ) পঠিয়াবি। আঘোণী আৰু লুদুৰীহঁতৰ পৰিয়ালটোক আগলৈকে নেৰিবি। মোৰ দুৰ্যশ ৰটা মানুহক কেতিয়াও বিশ্বাস নকৰিবি।" এই ৰূপে আপোনজনৰপৰা চিৰকালৰ নিমিত্তে বিদায় লৈ ফাঁচীকাঠত উঠি অকাল মৰণৰ কাষ চাপিবলৈ দেৱান প্ৰস্তুত হৈ থাকিল।

প্ৰস্তুতিৰ পিছত, দিনকৈ তিনি দিন, ৰাতিকৈ তিনি ৰাতি অনন্তৰ বুকুত লীন গ'ল। শুক্লপক্ষৰ ত্ৰয়োদশী তিথিৰ বাসন্তী শশধৰ লাহে লাহে নিষ্প্ৰভ হৈ আহিল। সম্ভৱতঃ সেই ৰাতিৰ ৰাতিটো তেওঁ উজাগৰে থাকোঁতেই সোঁ-জোনে ৰাতি পুৱাল। ১৭৭৯ শকৰ ফাগুনৰ চতুৰ্দশী তিথিৰ (২৬ ফেব্ৰুৱাৰী) তৰুণ তপনে পূবেৰুণ দিলেহি। আন কাল অৰুণ কিৰণে দিগ-দিগন্ত প্ৰকাশ কৰে। সেই দিনাৰ অৰুণত চৌপাশে মৰলৰ ছাঁতি। এনেয়ে গোৰা চিপাহীৰ পাশৱিক অত্যাচাৰে সকলোকে থৰহৰি কম্পমান কৰি থৈছে; তাতে আকৌ প্ৰকৃতিৰ এনে অস্বাভাৱিক তমসাচ্ছন্ন অৱস্থা। সকলোৰে মন ন যযৌ ন তস্থৌ, ক'লৈ যাম কি কৰিম লাগি আছে। এনে আপদীয়া বেলিটি যিমানেই ওপৰলৈ উঠিছে সিমানেই ফাঁচীৰ আয়োজন খৰধৰ হ'বলৈ ধৰিছে। আগৰেপৰা অৱশ্যে মণিৰাম-পিয়ালীক ফাঁচী দিবলৈ সকলো সাজ-সঁজুলি আহিলা-পাতি সংগ্ৰহ কৰি থোৱাই হৈছিল।

পুৰন্দৰ সিংহৰ পুতেক, কন্দৰ্পেশ্বৰ সিংহৰ পিতৃদেৱেক কামেশ্বৰ সিংহই নতুন ঘৰ সাজিবলৈ শিঙৰি কাঠৰ খুঁটা অনাই থৈছিল। বুঢ়াগোহাঁইৰ টোলৰ পিনে, টোকোলাই নৈৰ পশ্চিম পাৰত, কুঁৱৰী পুখুৰীৰ পূবে, গড়ৰ আলিৰ দক্ষিণে (আজিকালি থকা নৰ্মাল স্কুলৰ পূবে, গৰু-পাউণ্ডৰ ওচৰত), এতিয়া সেই খুঁটাকে আনি যোৰ পাতি দুযোৰ খুঁটা পোতা হ'ল। খুঁটা কেইযোৰক কঁতৰা যেন

কৰি মাজত আযল-শলাৰ দৰে এডাল ঢেকী-ডাং দিলে। তাৰ সোঁ-মাজত খোলনি বিন্ধা দি ওপৰতে কাঁতৰিৰ দৰে এডাল কাঠ বহুৱাই, কাঠৰ দুয়ো মূৰে দুডাল দীঘল চোঁচনি বা চিপজৰী লগালে। বীৰাই চাওডাং বুলি জনমভৰ ফাটেক খোৱা চেনিমৰাৰ এটা ফাটেকিয়াল আছিল। তাৰ হতুৱাই এসেৰ মুগা সূতাৰে সেই দুডাল ফাঁচীজৰী বটোৱাই লোৱা হ'ল। ফাঁচীশালখন ঠিক ৪ অক্টোৰ দৰেই সজোৱা হৈছিল। কাঁতৰিডালৰ মূৰৰ পোনে পোনে মাটিৰ ওপৰত দুফালে দুখন চাং সজালে। চাঙৰ চাৰিওপিনে এনেভাৱে বেৰা দিয়ালে যেন তাৰ ভিতৰত কি আছে কোনেও নেদেখে। চঁচালি পাৰি চাংখন সমানকৈ থোৱা হ'ল।

ৰাতি পুৱাল। ২৬ ফেব্ৰুৱাৰী আহিল। পুৱাৰেপৰা ফাঁচীশালৰ চৌপাশে গেৰাজে গেৰাজে চিপাহী-বৰকাণ্ডাজবোৰ ভাগে ভাগে শাৰী পাতি কান্ধত বন্দুক লৈ থিয় হৈ ৰ'লহি। সিহঁতৰপৰা অলপ আঁতৰত গোৰা পল্টনৰ চিপাহীহঁতে বন্দুক-চঙ্গীন লৈ টহল দি ফুৰিবলৈ ধৰিলে। এনে চক্ৰবেহুৰ বাহিৰ পিনে, নিলগত হেজাৰ-বিজাৰ মানুহ আহিছে-গৈছে। ৰংপুৰ, গোলাঘাট, মাজুলীৰপৰাও মানুহ আহি দিছে পাৰৰ (যোৰহাটৰ) আলি-পদূলিত হুৱা-দুৱা লগাইছে। কোনোৱে হিয়া-মুৰ ধুনি কান্দিছে, কোনোৱে হা-হুমুনিয়াহ কাঢ়িছে, কোনোৱে আকৌ বেজাৰৰ খুন্দা সহিব নোৱাৰি ফাঁচী চাবলৈ আহি উভতি নিজৰ ঘৰলৈকে গৈছে। ইপিনে বেলি উঠি ৮ দণ্ড মাৰোঁ মাৰোঁ হৈছে অৰ্থাৎ ৯ মান বাজিছে, এনেতে দিছে কোঁঠৰ ছাউনিৰপৰা মণিৰাম-পিয়ালীক উলিয়াই অনা হ'ল। দুইকো কঁকালত শিকলিৰে জোঁটা পাতি বন্ধা। তেওঁবিলাকৰ আগে-পিছে বৰকাণ্ডাজ চিপাহী। তেতিয়াও মণিৰামৰ হাতত ৰূপৰ ধোঁৱাখোৱা, মন প্ৰফুল্ল। চিপাহীয়ে দুইকো সাঙুৰি আনি ফাঁচী দিয়া ঠাই পোৱালেহি। ফাঁচীচাঙৰ দাঁতিতে হলৰইড, বিচ্চাৰ, ৰিচাৰ্ডছন, নকছাৰী-আসাম কোম্পানীৰ আৰু নেঘেৰীটিং বাগিচাৰ কেইজনমান ছাহাবে মনৰ সুখেৰে চেলেউ হুপি হুপি বহি আছে। কৰ্তব্যপৰায়ণ হৰনাথ পৰ্বতীয়া বৰুৱা দাৰোগাও তাতেই খোজ চলাই আছে। তেওঁবিলাকৰ সাক্ষাতে, মণিৰাম-পিয়ালীৰ বান্ধ মোকলাই দি, আকৌ এজন এজনকৈ পাছফালে দুয়োকো হাত-কেৰেয়া দিলে। এইদৰে হাত বান্ধি দুইকো বৰশীৰ পোনে পোনে তৰি থোৱা চাঙৰ ওপৰত তুলিলেগৈ। তাতে হলৰইডে শিৱসাগৰৰ মেজিষ্ট্ৰেটৰূপে, কমিশ্যনাৰ হৈ বহোঁতে দিয়া তেওঁবিলাকৰ ফাঁচীৰ আজ্ঞাপত্ৰ দুখন ইংৰাজী আৰু বঙলা ভাষাৰে পঢ়ি শুনালে। পত্ৰত লেখা আদেশ শুনি ক্ষন্তেকমান বেলি দুয়ো নিটাল মাৰি থাকিল। দেৰানে তেওঁৰ ধোঁৱাখোৱাটিত হোপা দুটামান মাৰি ল'লে। তাৰ পিছত ধোঁৱাখোৱাটি দাৰোগাৰ হাতত দি, হাত-কেৰি অৱস্থাতে থিয়

হৈ চাঙৰপৰাই সমবেত প্ৰজাসকললৈ চাই এইবুলি ক্ষমা খুজিলে, “হে প্ৰজাসকল, মই বিষয়া হৈ থাকোঁতে মোৰপৰা তোমালোকে অশেষ দুখ-বেজাৰ পাইছিলা, সেই সকলোবোৰ এনে সময়ত তোমালোকে ক্ষমা দিব লাগে।”

এনেতে, ফাঁচীচাঙৰ চাৰিওফালে পহৰা দি থকা গোৰা আৰু বৰকাণ্ডাজ চিপাহীয়ে জাঁয়ে জাঁয়ে হিলৈ মাৰিবলৈ ধৰিলে। কেউপিনে কোঢ়াল লাগি পৰিল। খাৰ-বাৰুদৰ ধোঁৱাই আকাশ ছানি পেলালে। হিলৈৰ মাত নিজম পৰিলত, সেই ধোঁৱা-কোঁৱাৰ মাজতে দুফালে দুটা ফাটেকিয়াল চাঙৰ ওপৰলৈ উঠি মণিৰাম-পিয়ালী দুয়োৰে মূৰত ক'লা টুপী পিন্ধাই, চকু-মুখ ঢাকি ঘটিকাত ফাঁচ বৰশী লগাই নামি আহিল। পাছে, বীৰাই চাওদাঙে চচালিখন দাঙি ফাঁচীজৰীত টিপ দিলেহি। যেই টিপ দিলে, সেই মণিৰাম-পিয়ালীৰ জীয়া শৰীৰ মৰা শ হৈ তললৈ পৰি গ'ল।

ভাগি গ'ল বীণখনি ছিগি গ'ল তাঁৰ
বৈ গ'ল অৱশেষ অমিয়া জোঁকাৰ।

আগ-বেলাৰপৰা সাঁজ-লাগি মৰালৈকে সেই নশ্বৰ দেহা দুটি তাতে পৰি থাকিল। মাটিতেই মণিৰামৰ দেহা মলঙি গ'ল।

চালত মলঙিলে চালেদৈ কোমোৰা
টেকেলিত মলঙিল লোণ,
মাটিত মলঙিলে মণিৰাম দেৱান ঐ
নেকান্দি থাকিব কোন?

বসন্তৰ আগমনত ‘ৰবিৰ কিৰণে যেন মৰকত গিৰি’ হৈ থকা অসম দেশখন মণিৰাম-পিয়ালীৰ ফাঁচীত জিলী-যা, কোৱা-কা নকৰা, শিপিনীৰ যঁতৰত শলা নুঘূৰা হ'ল। উত্তৰ লক্ষীমপুৰৰ ৰঙা নৈৰ পাৰত সাদিন সাত ৰাতি একেবাহে জুই লাগিবলৈ ধৰিলে, আকাশত নেজাল তৰা ওলাল। কুকুৰে চাং বগাবলৈ ধৰিলে। কাকতী ফৰিঙে দেশ ছানি পেলালে। ৰঙা টুপীৰ (গোৰা ছিপাহী) অত্যাচাৰত যোৰহাট জুই-হাট হ'ল। শোক আৰু পাশৱিক অত্যাচাৰত দেশ জঁয় পৰিল। তথাপি, শৰৎ পূৰ্ণিমাত শ্বেতাঙ্গ ছাহাবেও মিৰি নাৱৰীয়াৰ লগত গোৱাৰ দৰে মণিৰামৰ গীত এফাকি গাই অসমীয়া মানুহে প্ৰাণত সান্ত্বনা লাভ কৰিবলৈ ধৰিলে, সেই গীত আজিও বা-মাৰলিৰ দৰে অসম ৰাজ্যত গুম্‌গুমাই আছে।